This Question Paper consists of 30 questions and 4 printed pages.

Roll No. | | | | | | | | | | | | Code No. **51/S/O/A**

Set **A**

# ASSAMESE
# (অসমীয়া)
# (228)

Day and Date of Examination ____________________

Signature of Invigilators 1. ____________________

2. ____________________

---

**সাধাৰণ নিৰ্দেশাৱলী ঃ**

1. প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব ।
2. পৰীক্ষাৰ্থীয়ে প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ লব লাগিব ।
3. বস্তুনিষ্ঠ প্ৰশ্নৰ ক্ষেত্ৰৰ (A), (B), (C), (D) বিকল্প সমুহৰ পৰা যি কোনো এটা শুদ্ধ উত্তৰ বাছিবে লেগে দিয়া উত্তৰ বহীত তাক চিহ্নিত কৰিব ।
4. বস্তুনিষ্ঠ প্ৰশ্ন সহিতে সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিস্ট সময়ৰ ভিতৰত কৰিব লাগিব । বস্তুনিষ্ঠ প্ৰশ্নৰ বাবে বেলেগে কোনো অতিৰিক্ত সময় দিয়া নহব ।
5. নিৰ্দিস্ট স্থানত বাহিৰে প্ৰশ্ন - উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্ত কৰণৰ যিকোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হব ।
6. উত্তৰ বহীত প্ৰশ্ন কাকতৰ সাংকেতিক সংখ্যা **51/S/O/A** উল্লেখ কৰিব ।

# ASSAMESE

# (অসমীয়া)

**(228)**

সময় : **3** ঘণ্টা ] [ পূৰ্ণমান : **100**

**নিৰ্দেশ ঃ** সকলো প্ৰশ্নৰ উত্তৰ কৰা বাঞ্চনীয় ।

**সাধাৰণ নিৰ্দেশাৱলী ঃ**

**1.** পৰীক্ষাৰ্থীয়ে প্ৰতিটো প্ৰশ্নৰ তলত দিয়া স্থানত উত্তৰ লিখিব লাগিব । যদি উত্তৰ লিখাৰ স্থান কম হয় তেনে হলে শেষত দিয়া অতিৰিক্ত পৃষ্ঠাৰ প্ৰথমতেই প্ৰশ্ন নং লিখিব লাগিব ।

**2.** বহুমুখী (Multiple Choice) প্ৰশ্নৰ ক্ষেত্ৰত পৰীক্ষাৰ্থীয়ে বিকল্প বিলাকৰপৰা সঠিক উত্তৰ বাছিব লাগিব আৰু (A), (B), (C) অথবা (D) ৰ ভিতৰত যিটো সঠিক সেইটো প্ৰশ্নৰ সম্মুখত দিয়া বাকচত লিখিব লাগিব ।

**3.** পৰীক্ষাৰ্থীয়ে একমাত্ৰ ফ্লেপৰ (Flap) নিৰ্দিষ্ট স্থানত নিজৰ ৰোল নং, নাম, পৰীক্ষা কেন্দ্ৰ সংখ্যা লিখিব লাগিব ।

---

**1.** কেতেকী চৰাইজনী ক'ত উৰি ফুৰে? **1**

**2.** কবিয়ে 'মোৰ দেশ কবিতাটোত নিজক কি বুলি পৰিচয় দিছে? **1**

**3.** কবি হীৰেন ভট্টাচাৰ্য্যক কি কবি বুলি জনা যায়? **1**

**4.** কাৰেতে- কেনেকৈ নিৰ্মান কৰা হৈছিল? **1**

**5.** সংসাৰৰ আচল বস্তু কি? **1**

**6.** মাদাৰ টেৰেচাই কোন চলত ভাৰতৰ নাগৰিকত্ব গ্ৰহন কৰে? **1**

**7.** সূৰ্য্যৰ অপকাৰী তীক্ষ্ণ ৰশ্মিবিধৰ নাম লিখা। **1**

**8.** কম্পিউটাৰৰ উদ্ভাৱক কোন? **1**

**9.** সন্ধ্যা-ললিতা-কান্তা তিনি সুঁতি ক'ত? **1**

**10.** আমাৰ জনমভূমি ভাৰতবৰ্ষ এখন : **1**

(i) দুখীয়া দেশ

(ii) বৈচিত্ৰপূৰ্ণ দেশ

(iii) উন্নত দেশ

11. কোনো জাতিক জীয়াই ৰাখিবলৈ হলে প্ৰতিজন ব্যক্তি হ্ব লাগিব। 1

(a) দেশ প্ৰেমিক

(b) সুস্থ সবল

(c) স্বাৱলম্বী

12. জনমভূমি কবিতাটোৰ কবি কোন? তেঁওক কি উপাধিৰে বিভূষিত কৰা হৈছে? 2

13. বৰগীত কাক বোলে? বৰগীতত কি বিষয়বস্তু আৰু ভাষা ব্যৱহাৰ হয়? 1+2=3

14. মহৎলোকৰ জীৱনী অধ্যয়নৰ আৱশ্যকতাৰ দুটা কাৰন লিখা। 2

15. ইচলাম ধৰ্মৰ প্ৰৱৰ্ত্তক কোন? ৰমজান মাহত ইচলাম ধৰ্মী সকলে কিমান দিন উপবাসে থাকে? 2

16. অসমৰ ওজাপালিৰ লগত সাদৃশ্য থকা ভাৰতৰ দৃশ্য-শ্ৰব্য ক'লা শৈলীৰ দুটা নাম লিখা। 2

17. মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষনা পত্ৰত থকা অনুচ্ছেদ কেইটাক কিমান ভাগত কেনেছৰে ভাগ কৰা হৈছে? 3

18. কথাকবিতাৰ ঘাই লক্ষণকেইটা লিখা। 3

19. মুখ্য মন্ত্ৰী হিচাপে গোপীনাথ বৰদলৈয়ে শিক্ষাৰ ক্ষেত্ৰত কি কি উন্নতিমূলক কাম কৰিছিল? 4

20. ভাৰতবৰ্ষ কিহৰ বলত অন্য দেশৰ প্ৰেৰনাৰ কেন্দ্ৰ হৈছিল? 4

21. বন্যপ্ৰানী লুপ্ত হৈ অহাৰ প্ৰকৃত কাৰণ কি বুলি ভাবা? 4

22. 'জনমভূমি' নাইবা 'জীৱন জেউতি' কবিতাৰ মূলভাৱ লিখা। 6

23. প্ৰসঙ্গ সংগতি লগাই ব্যাখ্যা কৰা : 5x2=10

(a) 'দৰিদ্ৰ সকলেই আমাৰ প্ৰকৃত সমাজ, তেঁওলোকৰ নিৰাপত্তাই আমাৰ নিৰাপত্তা তেঁওলোকৰ স্বাস্থ্যই আমাৰ স্বাস্থ্য'।

(b) 'লোভ মোহ দুয়ো বাঘ সততে নছাড়ে লাগ
ৰাখু ৰাখু সদাশিৱ।

24. তোমাৰ অঞ্চলত খোৱাপানীৰ অভাৱ দূৰীকৰণৰ বাবে বাতৰি কাকতৰ সম্পাদকৰ জৰিয়তে বিভাগীয় কতৃপক্ষলৈ এখন চিঠি লিখা। **8**

25. এটা শব্দত প্ৰকাশ কৰা। (যিকানো 5 টা) **1x5=5**
যিয়ে অকল নিজৰ স্বাৰ্থৰ কথাকে ভাবে
দেশৰ প্ৰতি ভক্ত যিজন
যাৰ কোনো আশ্ৰয় নাই
একেমাকৰ পুতেক
সনতান নোহোৱা তিৰোতা
ৰাতি চকুৰে নেদেখা মানুহ
আনৰ ভাল দেখিব নোৱাৰা লোক

26. বাক্য ৰচনা কৰা : (যিকোনো **5** টা) **1x5=5**
অজীন পাতকী, লেৰেলা-সাদৰ, সংহতি, ৰাংঢালী,কনাৰ লাখুটি, চকুমুদা, আওকনীয়া

27. সন্ধি ভাঙা আৰু পাতা : (যিকোনো **5** টা) **1x5=5**
পৰীক্ষা, নিশ্চয়, ইত্যাদি
সম + ভেদ, ভগ্ন + অংশ, উৎ + নতি

28. বিপৰীতাৰ্থক শব্দ লিখা : (যিকোনো **5** টা) **1x5=5**
আকাশ, ধনী, হাঁহি, ওখ, স্বৰগ, সচাঁ, ধুনীয়া

29. ভাৱ-সম্প্ৰসাৰন কৰা : (যিকোনো দুছোৱা) **4x2=8**
(i) এদেও দুদেও লোটা নিবৰ ছেও ।
(ii) পুঁথি অধ্যয়ন বিদ্যা আৰ্জনৰ ঘাই উপায়।
(iii) পঢ়ে পঢুৱায় ৰোৱে পান এই তিনি নিচিন্তে আন।

30. তলৰ যিকোনো এটা বিষয় বাছি লৈ এখন ৰচনা লিখা : **8**
বাতৰি কাকত, তোমাৰ প্ৰিয় সাহিত্যিক, গ্ৰন্থ মেলা, কাজিৰঙা

- o O o -